Total No. of Printed Pages—3

**3 SEM TDC ASM M 1**

# 2016

( November )

## ASSAMESE

( Major )

Course : 301

( ভাষাবিজ্ঞানৰ প্ৰাথমিক জ্ঞান )

*Full Marks* : 80

*Pass Marks* : 32 (Backlog) / 24 (2014 onwards)

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) পাশ্চাত্য পণ্ডিতসকলে দাঙি ধৰা ভাষাৰ কেইটামান সংজ্ঞা উল্লেখ কৰি তোমাৰ মতে ভাষাৰ এটা সংজ্ঞা দাঙি ধৰাঁ, লগতে ভাষাৰ চাৰিটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰিবাঁ। ৭+৮=১৫

*অথবা*

(খ) ভাষাৰ বিভিন্ন ৰূপসমূহ কেনেদৰে সৃষ্টি হয়, অসমীয়া ভাষাৰ পৰা উদাহৰণ দাঙি ধৰি বুজাই লিখাঁ আৰু ব্যক্তি ভাষা আৰু সামাজিক উপভাষাৰ বিষয়ে একোটিকৈ টোকা লিখাঁ। ৭+৪+৪=১৫

২। তলৰ যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৭×২=১৪

(ক) ঐতিহাসিক ভাষাবিজ্ঞান পদ্ধতি আৰু ভাষা অধ্যয়ন

(খ) ভাষাবিজ্ঞান আৰু তুলনামূলক ভাষাবিজ্ঞানৰ পৰিসৰ

(গ) বৈপৰীত্যমূলক ভাষাবিজ্ঞানৰ সংজ্ঞা আৰু পৰিসৰ

৩। (ক) ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ সম্পৰ্ক আৰু পাৰ্থক্য সম্পৰ্কে আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) ৰূপতত্ত্ব বুলিলে কি বুজাঁ? ৰূপতত্ত্বই সামৰি লোৱা বৈয়াকৰণিক দিশসমূহ উল্লেখ কৰি এটি আলচ যুগুত কৰাঁ। ৩+১২=১৫

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজাঁ? ভাষাৰ বৰ্গীকৰণ কি কি দিশত কৰিব পাৰি? পাৰিবাৰিক বৰ্গীকৰণ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৩+৩+৮=১৪

*অথবা*

(খ) টোকা লিখাঁ : ৭×২=১৪

(১) অষ্ট্ৰিক ভাষা পৰিয়াল

(২) চীন-তিব্বতীয় ভাষা পৰিয়াল

৫। (ক) পাশ্চাত্য দেশত ভাষাবিজ্ঞান সম্পৰ্কীয় চিন্তাচৰ্চাৰ আৰম্ভণি আৰু বিকাশ সম্পৰ্কে লিখাঁ। ১৪

অথবা

(খ) চমুকৈ লিখাঁ : ৭×২=১৪

(১) অসমত ভাষাতাত্ত্বিক চিন্তাচৰ্চা

(২) ভাৰতত ব্যাকৰণ সম্পৰ্কীয় চিন্তাচৰ্চাৰ আৰম্ভণি আৰু বিকাশ

৬। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) তুলনামূলক ভাষাতত্ত্বৰ (Comparative Philology) প্ৰথম প্ৰবক্তাজনৰ নাম লিখাঁ।

(খ) ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰৰ গ্ৰন্থখনৰ নাম লিখাঁ।

(গ) বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ কোনটো ৰূপক অধিক গুৰুত্ব দিয়ে?

(ঘ) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম লিখাঁ।

(ঙ) গোলোকচন্দ্ৰ গোস্বামীৰ ধ্বনিবিজ্ঞানৰ তত্ত্ব সম্পৰ্কীয় গ্ৰন্থখনৰ নাম লিখাঁ।

(চ) 'নাগামিজ ভাষাৰ গঠন আৰু বিকাশ' গ্ৰন্থৰ প্ৰণেতাজনৰ নাম লিখাঁ।

(ছ) দ্ৰাবিড় ভাষা পৰিয়ালৰ যি কোনো দুটা ভাষাৰ নাম লিখাঁ।

(জ) *Syntactic Structure* গ্ৰন্থখনৰ প্ৰণেতাজনৰ নাম লিখাঁ।

★★★

Total No. of Printed Pages—3

**3 SEM TDC ASM M 2**

**2016**

( November )

ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32 (Backlog)/24 (2014 onwards)

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) 'চৰ্যাপদ'ৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমীয়া কবিতাৰ বিৱৰ্তন সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) আধুনিক অসমীয়া কবিতাৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ।

২। (ক) 'ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত'ৰ নিৰ্বাচিত পাঠ্যাংশৰ আধাৰত অসমীয়া আখ্যান-গীত সম্পৰ্কে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) 'শ্ৰীকৃষ্ণকীৰ্তন' পুথিৰ অন্তৰ্গত তোমাৰ পাঠ্যাংশত চৰিত্ৰৰ মনস্তত্ত্ব প্ৰকাশ কৰাত কবিৰ সফলতা সম্পৰ্কে আলোচনা কৰাঁ।

৩। (ক) মাধৱ কন্দলিৰ পৰিচয় দি 'সুন্দৰাকাণ্ড' ৰামায়ণৰ কাব্যিক সৌন্দৰ্য সম্পৰ্কে এটা আলচ যুগুত কৰাঁ। ৫+৯=১৪

অথবা

(খ) কবিজনৰ পৰিচয় দি 'চাহাপৰী উপাখ্যান' বা 'মৃগাৱতী চৰিত্ৰ'ৰ বিষয়বস্তু সম্পৰ্কে লিখাঁ। ৫+৯=১৪

৪। (ক) প্ৰগতিশীল কবিতাৰ বৈশিষ্ট্যসমূহ 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটোত কেনেদৰে প্ৰকাশ পাইছে, উদাহৰণসহ আলোচনা কৰাঁ। ১৪

অথবা

(খ) 'ইয়াত নদী আছিল' কবিতাত চিত্ৰিত ভয়াৱহ জগতখনৰ বিৱৰণ দাঙি ধৰাঁ।

৫। (ক) নীলমণি ফুকনৰ কাব্যকৃতিৰ আভাস দি 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' কবিতাত প্ৰকাশিত চিত্ৰকল্পসমূহৰ বিষয়ে আলোচনা কৰাঁ। ৭+৮=১৫

অথবা

(খ) 'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাত নাৰীমুক্তিৰ চেতনা কেনেদৰে প্ৰকাশ পাইছে, তোমাৰ দৃষ্টিভংগীৰে ব্যাখ্যা কৰাঁ। ১৫

৬। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'শ্ৰীকৃষ্ণকীৰ্তন'ৰ ৰচক কোন?

(খ) কোনখন পুথিক 'হেজাৰী ঘোষা' বোলা হয়?

(গ) 'ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত' কোন শ্ৰেণীৰ গীত?

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰথমখন কবিতা-পুথিৰ নাম কি?

(ঙ) 'চিৰ চেনেহী মোৰ ভাষাজননী' কাৰ ৰচনা?

(চ) অসমীয়া 'কথা কবিতা' কোনে ৰচনা কৰিছিল?

(ছ) 'বাৰমাহৰ তেৰ গীত'ৰ স্ৰষ্টাজনৰ নাম কি?

(জ) 'সমুদ্ৰভীতি' কবিতাৰ কবিজনৰ নাম কি?

★★★